# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-03-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***::::::::::::::::::::::::::::::::::::***

## HEADLINES

১। ৰাজ্যৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৩৫ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা নিশ্চিত।

২। বিজেপি দলৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত শৰ্মাৰ উপৰি সৰ্বানন্দ সোণোৱাল, গৌৰৱ গগৈ, লুৰীণজ্যোতি গগৈৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত।

৩। সমাগত লোকসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ ইস্তাহাৰ সমিতি ঘোষণা। সমিতিত সদস্য হিচাপে অসমৰ মুখ্যমন্ত্ৰীৰ নাম।

৪। আসন্ন লোকসভা নিৰ্বাচনত ১০০ শতাংশ ভোটদান নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ সৈতে অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দুখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্ণৌত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু পঞ্জাব কিংছৰ মুখামুখি।

০০০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিনা যোৰহাট লোকসভা সমষ্টিৰ এগৰাকী প্ৰাৰ্থীয়ে নিজৰ মনোনয়নপত্ৰ প্ৰত্যাহাৰ কৰিছে। ইয়াৰ ফলত আসন্ন নিৰ্বাচনত ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে।

উল্লেখযোগ্য যে, এই পৰ্যায়ত যোৰহাট, লখিমপুৰ, ডিব্ৰুগড়, শোণিতপুৰ আৰু কাজিৰঙাত ভোটগ্ৰহণ কৰা হ'ব। বিজেপিয়ে ৫খন আসনৰ আটাইকেইখনতে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে কংগ্ৰেছে ৪খন আসনত প্ৰাৰ্থী থিয় কৰোৱাইছে আৰু ডিব্ৰুগড়ত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈক সমৰ্থন আগবঢ়াইছে। এই নিৰ্বাচনত বিজেপিৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, কামাখ্যা প্ৰসাদ তাছা আৰু তপন কুমাৰ গগৈ, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত কুমাৰ দত্তই এই পৰ্যায়ৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। যোৰহাটত কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ, লখিমপুৰত উদয় শংকৰ হাজৰিকা, কাজিৰঙাত প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইফালে, ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ বাবেও মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিলচৰ আৰু নগাঁৱকে ধৰি পাঁচটা সমষ্টিত দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

এতিয়া আমি ৰাজ্যখনত হবলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচন সন্দৰ্ভত আমাৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাৰ সৈতে কথা পাতিম -

ৰাজ্যখনৰ ৫ টা সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে মনোনয়নৰ প্ৰক্ৰিয়া ইতিমধ্যে সমাপ্ত হৈছে। ৩৫ গৰাকী প্ৰাৰ্থীয়ে এই পৰ্যায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাটো নিশ্চিত হৈছে। এই সন্দৰ্ভত আপুনি কি কব খোজে আৰু এই নিৰ্বাচনত কোন কোন দলৰ মাজত প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে।

**ঃঃ ভইছ ঃঃ**

মানস প্ৰতীম ঃ প্ৰথম পৰ্যায়ৰ নিৰ্বাচন সন্দৰ্ভত আপুনি আমাক মতামত জনালে, পৰৱৰ্তী সময়ত পুনৰ আপোনাৰ সৈতে সংযুক্ত হম।

০০০০০০

আসন্ন নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনী তৎপৰতা অব্যাহত ৰাখিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডং হিমন্ত শৰ্মাই আজি প্ৰচাৰ কাৰ্যসূচীৰ অংশ হিচাপে দৰং, ওদালগুৰি লোকসভা সমষ্টিত বিজেপিৰ মিত্ৰজোটৰ শীৰ্ষ নেতাসকলৰ সৈতে আলোচনাত মিলিত হয়। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দলটোৱে প্ৰস্তুতি গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে, ৪ এপ্ৰিলত দৰং, ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দিলিপ শইকীয়াই মনোনয়ন দাখিল কৰিব।

আজি কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে তিনিচুকীয়া জিলা ভ্ৰমণ কৰি কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইপিনে, কাজিৰঙা লোকসভা সমষ্টিৰ অন্তৰ্গত  বিভিন্ন স্থানত বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছা আৰু কংগ্ৰেছৰ প্ৰাৰ্থী ৰোজলীনা তিৰ্কীয়ে প্ৰচাৰ চলায়। বিজেপিৰ প্ৰাৰ্থীগৰাকীয়ে বোকাখাট সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলোৱাৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে মেৰাপানী, জামুগুৰি আৰু গোলাঘাট আদিত প্ৰচাৰ চলায়। শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে আজি যোৰহাট সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়। ইপিনে, দৰং, ওদালগুৰি লোকসভা সমষ্টিত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ দলে ব্যাপক প্ৰচাৰ চলাইছে। আজি দলৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৱে তামুলপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। ইপিনে, বাক্সা জিলাৰ শালবাৰীত আজি ইউ পি পি এল দলৰ এটা যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বিপিএফ দলৰ শতাধিক কৰ্মীয়ে ইউ পি পি এলত যোগ দিয়ে।

নগাওঁ লোকসভা সমষ্টিৰ অন্তৰ্গত মৰিগাওঁ জিলাৰ জাগীৰোডৰ বিভিন্ন প্ৰান্তত বিজেপি প্ৰাৰ্থী সুৰেশ বৰাই আজি প্ৰচাৰ চলায়।  প্ৰাৰ্থীগৰাকীয়ে অঞ্চলটোৰ ধৰমতুল, দক্ষিণ ধৰমতুল, শিলচাং, নেলী, গোভা, দেওশাল আদিত কেবাখনো প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰে।

০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে দলটোৰ ইস্তাহাৰ সমিতি ঘোষণা কৰিছে। দলৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক ২৭ জনীয়া এই সমিতিৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি এই সমিতি গঠনৰ বিষয়ে ঘোষণা কৰে। সমিতিখনৰ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক আহ্বায়ক আৰু কেন্দ্ৰীয় মন্ত্ৰী পিয়ুছ গোৱেলক সহ আহ্বায়ক হিচাপে নিযুক্তি দিয়া হৈছে। এই্ সমিতিত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকো সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি অৰ্জুন মুণ্ডা, ভূপেন্দ্ৰ য়াদৱ, অৰ্জুন ৰাম মেঘৱাল, কিৰেন ৰিজিজু, স্মৃতি ইৰাণীকে ধৰি ২৪  গৰাকী শীৰ্ষ নেতাক এই সমিতিত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০

ৰাজ্যত ৩টা পৰ্যায়ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহে তৎপৰতা গ্ৰহণ কৰিছে। গোলাঘাট জিলাৰ নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত আজি কাজিৰঙা লোকসভা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰাৰ্থীসকলৰ প্ৰতীক চিহ্ন আৱণ্টন প্ৰক্ৰিয়া সম্পন্ন হয়। উল্লেখযোগ্য যে এই সমষ্টিটোৰ বাবে ১১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। প্ৰাৰ্থী আৰু প্ৰতিনিধিসকলৰ উপস্থিতিত সমষ্টিটোৰ ৰিটাৰ্ণিং বিষয়া ডা০ পি

উদয় প্ৰবীণে নিৰ্বাচনৰ বাবে প্ৰাৰ্থীসকলৰ নামত আৱণ্টিত প্ৰতীক চিহ্নসমূহ ঘোষণা কৰে। ইয়াৰ লগতে সংসদীয় সমষ্টিটোৰ প্ৰাৰ্থী তথা প্ৰতিনিধিসকলৰ সৈতে নিৰ্বাচন সন্দৰ্ভত মত বিনিময়ত অংশ লয়।

ইপিনে বাক্সা জিলাত আজি প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণৰ সামৰণি পৰে। উল্লেখযোগ্য যে বাক্সা জিলাৰ কোকৰাঝাৰ লোকসভা সমষ্টি আৰু দৰং-ওদালগুৰিত লোকসভা সমষ্টিৰ অন্তৰ্গত ৪টা বিধানসভা সমষ্টি সামৰি লোৱা হৈছে। ইয়াৰ ভিতৰত মানাহ, বাক্সা, তামুলপুৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিৰ ৯৪৬টা ভোট কেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জিলাখনত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ এহেজাৰ ১৩৫ গৰাকী প্ৰিজাইডিং বিষয়া আৰু ৩ হাজাৰ ৪০৫ গৰাকী প'লিং বিষয়াক প্ৰশিক্ষণ দিয়া হয়। লগতে  ৯৪৬ গৰাকী বিএলঅ'ক আৰু ১৬ গৰাকী ন'ডেল বিষয়াক মাষ্টাৰ প্ৰশিক্ষকে প্ৰশিক্ষণ দিয়ে।

আনহাতে যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত শিৱসাগৰ নিৰ্বাচনী জিলাত ৬টা ভোটগ্ৰহণ কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে নিৰ্বাচন কৰা হৈছে। জিলাখনৰ মুঠ ৮টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব।

একেদৰে ৭ মে'ত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ ৩৪৭টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ৫টা মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। ইয়াৰ বাবে জিলা প্ৰশাসনে আজি ৩৬ গৰাকী মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰে। ইতিমধ্যেই জিলাখনত এহেজাৰ ৬৬৪ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়াক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ দিয়াৰ পাছত নিৰ্বাচনৰ পূৰ্বে দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ প্ৰশিক্ষণ দিয়া হ'ব।

ইপিনে ব্যয় পৰ্যবেক্ষক শংকৰলাল বাৰ্মাই ডিমা হাছাও জিলাৰ হাফলঙত উপস্থিত হৈ নিৰ্বাচনী বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। লগতে আসন্ন নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত বুজ লয়। তেওঁ নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ বিষয়ববীয়াসকলৰ সৈতেও বৈঠকত মিলিত হয়।

আনহাতে কৰিমগঞ্জ জিলাৰ পাথৰকান্দি মহাবিদ্যালয়ত মহিলা ভোটাৰ সজাগতা অভিযান অনুষ্ঠিত হয়। প্ৰায় ২০০ গৰাকী নতুন ভোটাৰ মহিলা, ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

oooooo

সমাগত লোকসভা নিৰ্বাচনত কেইবাখনো ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী  আৰু মুখ্যমন্ত্ৰীৰ পুত্ৰই প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী  তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিজেপি নেতৃত্বাধীন এন ডি এৰ হৈ ডিব্ৰুগড় সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ গৌৰৱ গগৈয়ে যোৰহাট সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিব।

ইফালে, বিজেপিয়ে হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ লাল খাট্টাৰক কৰ্ণেল সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিয়াৰ বিপৰীতে উত্তৰাখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ত্ৰিবেন্দ্ৰ সিং ৰাৱাটক হৰিদ্বাৰ সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিছে। ইপিনে চত্তিশগড়ত প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলক ৰাজনন্দ গাওঁ সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিয়া হৈছে।

কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বাসৱ ৰাজ বুম্মাইক হাভেৰী, ৰাজ্যখনৰ আন এগৰাকী প্ৰাক্তন মুখ্যমন্ত্ৰী জগদীশ ছাট্টাৰক বেলগ্ৰাম সমষ্টিৰ পৰা বিজেপিয়ে প্ৰাৰ্থীত্ব দিছে। জনতা দল চেকুলাৰে কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী এইচ দি দেৱেগৌড়াৰ পুত্ৰ এইচ দি কুমাৰাস্বামীক মন্দিয়া লোকসভা আসনখনৰ পৰা প্ৰাৰ্থিত্ব দিছে।

মধ্য প্ৰদেশৰ ছিন্দৱাৰা সমষ্টিৰ পৰা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কমল নাথৰ পুত্ৰ নকুল নাথে কংগ্ৰেছ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা হিন্দুস্তানী আৱাম মৰ্চা চেকুলাৰৰ নেতা জীতন ৰাম মাঝিয়ে এন ডিৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ত্ৰিপুৰাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মানিক সৰকাৰে এইবাৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অ' পনিৰ ছেলভামে এইবাৰ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে ৰামানাথাপুৰম সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, অন্ধ্ৰপ্ৰদেশ বিধানসভা নিৰ্বাচনতো কেইবাগৰাকী প্ৰাক্তন মুখ্যমন্ত্ৰীৰ পুত্ৰই প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ অনুষ্ঠানত এইবছৰৰ ভাৰতৰত্ন সন্মান প্ৰদান কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধাৰী চৰণ সিং আৰু পি ভি নৰসিংহ ৰাওৰ লগতে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কৰ্পুৰী ঠাকুৰ আৰু যশস্বী বিজ্ঞানী এম এছ স্বামীনাথনক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে সন্মানিত কৰা হৈছে। এই অনুষ্ঠানত আটাইকেইগৰাকী সন্মানপ্ৰাপকৰ পৰিয়ালৰ লোকে ভাৰত ৰত্ন সন্মান গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰৰ উপৰি বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে উপস্থিত থাকে। প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ বৰ্ষীয়ান নেতা লালকৃষ্ণ আদৱানীক কাইলৈ ৰাষ্ট্ৰপতিয়ে আনুষ্ঠানিকভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰিব।

০০০০০০

আসন্ন লোকসভা নিৰ্বাচনত ১০০ শতাংশ ভোটদান নিশ্চিতকৰণৰ লক্ষ্যৰে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ সৈতে আজি অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দুখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ হয়। শ্ৰীগোৱেলে অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়াসকলক অসমৰ সকলো ভোটাৰক ভোটদান সুনিশ্চিত কৰাৰ বাবে অধিক সক্ৰিয়ভাবে কাম কৰাৰ বাবে আহ্বান জনায়। বুজাবুজিৰ চুক্তি অনুসৰি এওঁলোকে ভোটাৰসকলক ভোটাধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিব। গাঁও পঞ্চায়তৰ কাৰ্যালয়, সমবায় সমিতি কাৰ্যালয় আদিৰ হেল্প ডেস্কৰ জৰিয়তে আত্মসহায়ক গোটৰ সদস্যসকলে সাৰথি বাইদেউ নামেৰে ভোটাৰ সজাগতা তথা ভোটাধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব। ব্লক, গাঁওসমূহৰ ৮৫ বছৰ বা তাতোধিক বয়সৰ ভোটাৰসকলৰ লগতে দিব্যাংগসকলৰ তালিকা প্ৰস্তুত কৰি সাৰথি বাইদেউসকলে প্ৰশাসন পৰ্যায়ত দাখিল কৰি ভোটাধিকাৰ সাব্যস্ত কৰাত সুবিধা কৰি দিব। একেদৰে অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযানৰ সাৰথি বাইদেউসকলে ১০০ শতাংশ ভোটাধিকাৰ নিশ্চিতকৰণৰ বাবে ভোটাৰৰ মাজত নীতি-নিৰ্দেশনাৱলী, হেণ্ডবুক, লিফ্‌টলেট আদি বিতৰণ কৰিব। ইয়াৰ উপৰি মহিলা ভোটাৰসকলৰ ৰেলী অনুষ্ঠিত কৰি ভোটাৰসকলক ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ উৎসাহিত কৰিব।

০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই লোকসভা নিৰ্বাচনৰ পিছতে ৰাজ্যত উমৈহতীয়া দেৱানী বিধি বলবৎ হ'ব বুলি ঘোষণা কৰিছে। কালি গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত নিৰ্বাচনী অগ্ৰগতি সন্দৰ্ভত দলৰ শীৰ্ষ বিষয়ববীয়াৰ সৈতে বৈঠকত মিলিত হোৱাৰ পিছতে সাংবাদিকেৰে হোৱা কথা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। ডঃ শৰ্মাই ৰাজ্যখনত বহুবিবাহ বন্ধ কৰাৰ ক্ষেত্ৰতো উপযুক্ত ব্যৱস্থা গ্ৰহণ

কৰা হ'ব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লোকসভা নিৰ্বাচনত অসমত এন ডি এই ভাল ফলাফল লাভ কৰিব বুলিও দাবী কৰে।

০০০০০০

মিচিং, কাৰ্বি, ডিমাচা, তিৱা, দেউৰী আৰু ৰাভা ভাষাত শিক্ষা গ্ৰহণ কৰা সন্দৰ্ভত ৰাজ্যৰ বিদ্যালয় শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি বুনিয়াদী পৰ্যায়ত এই ৬টা ভাষাক শিক্ষাৰ মাধ্যম হিচাপে গণ্য কৰা হৈছে। সম্প্ৰদায় কেইটাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণত সুবিধা হোৱাৰ বাবে এই ভাষাকেইটাক শিক্ষাৰ মাধ্যম হিচাপে অধিসূচনা জাৰি কৰা হৈছে।

০০০০০০

হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ লক্ষ্যৰে গোলাঘাট জিলাৰ কাজিৰঙাত তিনিদিনীয়া কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত হৈছে। এই কৰ্মশালাত ১৩খন ৰাষ্ট্ৰৰ বিশেষজ্ঞই অংশগ্ৰহণ কৰিছে। এই কৰ্মশালাত এছিয়া মহাদেশৰ বিভিন্ন ৰাষ্ট্ৰত চলি থকা হাতী-মানুহৰ সংঘাত ৰোধ কৰি এছিয়ান হাতী সংৰক্ষণৰ কৰ্মসূচী আৰু নিৰ্দেশনা প্ৰস্তুত কৰা হ'ব। প্ৰথম পৰ্যায়ৰ আলোচনাত আজি অংশগ্ৰহণকাৰী দেশসমূহৰ প্ৰতিনিধিসকলে হাতী-মানুহৰ সংঘাতৰ পটভূমিত চিত্ৰসহ উপস্থাপন দাঙি ধৰে।

০০০০০০

মাদকদ্ৰব্য সৰবৰাহৰ গোচৰত কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতে ৩জন অভিযুক্তক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ২ লাখ টকাকৈ জৰিমনা বিহিছে। নাৰ্কোটিক কন্ট্ৰল ব্যুৰোয়ে ২০২১ চনত অভিযুক্ত কেইজনক নিচাযুক্ত দ্ৰব্যসহ গ্ৰেপ্তাৰ কৰিছে। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰৰ ভিত্তিত শচীন কুমাৰ, গোলাপ কুমাৰ শ্বাহ আৰু কাজল যাদৱক দোষী সাব্যস্ত কৰি আদালতে শাস্তি বিহে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেল আজি লক্ষ্ণৌত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু পঞ্জাব কিংছৰ মাজত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

অসম বেডমিণ্টন সন্থাই ৰাজ্যখনৰ দুগৰাকী ক্ৰীড়া সংগঠক অসম বেডমিণ্টন সন্থাৰ উপ সভাপতি নগাওঁৰ প্ৰদীপ কুমাৰ হাজৰিকা আৰু সন্থাৰ প্ৰাক্তন সম্পাদক গুৱাহাটীৰ প্ৰদীপ হাজৰিকাক ২০২৩ বৰ্ষৰ জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰিব। সন্থাৰ সম্পাদক ওমৰ ৰছিদে এই বিষয়ে প্ৰকাশ কৰি কয় যে, দুয়োগৰাকী ক্ৰীড়া সংগঠকে অসম বেডমিণ্টনৰ লগতে ৰাজৰ ক্ৰীড়া ক্ষেত্ৰৰ উত্তৰণৰ বাবে কৰা আজীৱন সেৱাৰ বাবে এই বঁটা প্ৰদান কৰা হ'ব। অহা ৩১ মাৰ্চত গুৱাহাটী কনকলতা ইন্দোৰ ষ্টেডিয়ামত হ'বলগীয়া বেডমিণ্টন প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। বঁটা ট্ৰফী, মানপত্ৰ আৰু নগদ ৫০ হাজাৰকৈ টকা থাকিব বুলি সন্থাৰ সম্পাদকগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

ৰাজ্যৰ প্ৰবীণ গায়িকা তৰুলতা দাসৰ অলপতে গুৱাহাটীৰ উজানবজাৰৰ নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৯ বছৰ। তেওঁ ১৯৬২ চনত মুক্তিলাভ **নৰকাসুৰ** ছবিত ব্ৰজেন বৰুৱাৰ সংগীত পৰিচালনাত কণ্ঠদান কৰিছিল।

০০০০০০

সমাপ্ত